# আপুনি কেনেকৈ সত্য ধৰ্ম্ম বিচাৰি উলিয়াব পাৰে?

*সকলো ধৰ্ম্ময়ে ঈশ্বৰক সন্তুষ্ট কৰে, নে মাত্ৰ এটা ধৰ্ম্ময়ে?* (১)

*বহুতো ধৰ্ম্ময়ে খ্ৰীষ্টান হোৱাৰ কিয় দাবি কৰে?* (২)

*সত্য খ্ৰীষ্টানসকলক আপুনি কেনেকৈ চিনাক্ত কৰিব?* (৩-৭)



১. যীচুৱে এটা সত্য খ্ৰীষ্টান ধৰ্ম্ম আৰম্ভণি কৰিছিল। গতিকে আজিৰ দিনত যিহোৱাৰ সত্য সেৱকসকলে উচিত ৰূপে এক দেহ, বা দল, হৈছে। (যোহন ৪:২৩, ২৪; ইফিচীয়া ৪:৪, ৫) বাইবেলে শিক্ষা দিছে যে তাকৰ লোকহে জীৱনৰ ঠেক পথত চলে। —মথি ৭:১৩, ১৪.

২. বাইবেলত কোৱা হৈছে পাঁচনিবিলাকৰ মৃত্যুৰ পাছত ভুল শিক্ষা আৰু অখ্ৰীষ্টায় অভ্যাসবোৰ ক্ৰমে খ্ৰীষ্টীয় মণ্ডলীত প্ৰৱেশ কৰিলে। মানুহবিলাকে বিশ্বাসৰ পৰা আঁতৰি খ্ৰীষ্টৰ পৰিবৰ্ত্তে মানুহক অনুকৰণ কৰিব ধৰিলে। (মথি ৭:১৫, ২১- ২৩; পাঁচনি কৰ্ম্ম ২০:২৯, ৩০) সেই কাৰণে আমি দেখিবলৈ পাওঁ বহু ধৰণৰ ধৰ্ম্ময়ে খ্ৰীষ্টান হয় বুলি দাবি কৰে। সত্য খ্ৰীষ্টানসকলক আমি কেনেকৈ বাচি উলিয়াব পাৰোঁ?

৩. সত্য খ্ৰীষ্টানসকল সকলোতকৈ প্ৰখ্যাত গুণবোৰ হৈছে যে *তেওঁলোকৰ নিজৰ মাজত সঁচা প্ৰেম প্ৰকাশিত হয়*। (যোহন ১৩:৩৪, ৩৫) তেওঁলোক অন্য জাতি বা ছালৰ বৰণতকৈ নিজক ভাল বুলি ভাবিবলৈ শিক্ষা নিদিয়ে। নাইবা অন্য দেশৰ লোক সকলকো ঘৃণা কৰিবলৈ নিশিকায়। (পাঁচনী কৰ্ম্ম ১০:৩৪, ৩৫) গতিকে তেওঁলোকে যুদ্ধতো ভাগ নলয়। সত্য খ্ৰীষ্টান সকলে ইজনে সিজনক ভাই-ভনীৰ নিচনাকৈ ব্যৱহাৰ কৰে।—১যোহন ৪:২০, ২১.

৪. আনটো চিন হৈছে সত্য ধৰ্ম্মত থকা সদস্যসকলে *বাইবেলৰ প্ৰতি গভীৰ শ্ৰদ্ধা দেখায়*। তেওঁলোকে বাইবেলক ঈশ্বৰৰ বাক্য বুলি আৰু তাত যি কয় তাক বিশ্বাস কৰে। (যোহন ১৭:১৭; ২ তীমথিয় ৩:১৬, ১৭) তেওঁলোকে ঈশ্বৰৰ বাক্য মানুহৰ ভৰধাৰা বা ৰীতি-নীতিতকৈও বেচি গুৰত্ব দিয়ে। (মথি ১৫:১-৩, ৭-৯) তেওঁলোকে দৈনিক

জীৱনতো বাইবেলৰ মতে চলিবলৈ চেষ্টা কৰে। গতিকে তেওঁলোকে প্ৰচাৰ এটা আৰু অভ্যাস আন এটা, তেনে নকৰে।—তীত ১:১৫, ১৬.

৫. সত্য ধৰ্ম্মই *ঈশ্বৰৰ নামক আদৰ কৰে।* (মথি ৬:৯) যীচুৱে আনবিলাকক ঈশ্বৰৰ নাম যিহোৱা বুলি জনাইছিল। তেনেকুৱা সত্য খ্ৰীষ্টানবিলাকো কৰা উচিত। (যোহন ১৭:৬, ২৬; ৰোমীয়া ১০:১৩, ১৪) আপোনাৰ সমাজত কোনবিলাক মানুহে ঈশ্বৰৰ নামৰ বিষয়ে আনক জনায়?

৬. সত্য খ্ৰীষ্টান সকলে *ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে প্ৰচাৰ কৰে।* যেনেকুৱা যীচুৱে কৰিছিল। তেওঁ সদায় ৰাজ্যৰ বিষয়ে কথা কৈছিল। (লুক ৮:১) তেওঁ তেওঁৰ শিষ্যসকলক সমূদায় পৃথিবীত এই একে বাৰ্ত্তাটোক প্ৰচাৰ কৰিবলৈ আজ্ঞা দিছিলে। (মথি ২৪:১৪; ২৮:১৯, ২০) সত্য খ্ৰীষ্টানসকলে বিশ্বাস কৰে যে কেৱল ঈশ্বৰৰ ৰাজ্যয়ে এই পৃথিবীত শান্তি আৰু সুৰক্ষা স্থাপিত কৰিব।—গীতমালা ১৪৬:৩-৫.

৭. যীচুৰ শিষ্যসকলে এই *দুষ্ট জগতৰ ভাগী হোৱাতো উচিত নহয়।* (যোহন ১৭:১৬) তেওঁলোকে জগতৰ ৰাজনীতি কামত আৰু সমাজিক বাদ-বিবাদত জৰিত্ব নহয়। তেওঁলোকে আঘাতজনক ব্যৱহাৰ অভ্যাস আৰু ইচ্ছা যিবিলাক এই পৃথিবীত সাধাৰণ হৈ পৰিছে তাৰ পৰা আঁতৰি থাকে। (যাকোব ১:২৭; ৪:৪) এনে এটা ধাৰ্ম্মিক সমূহক আপোনাৰ সমাজত য'ত সত্য খ্ৰীষ্টানতাৰ গুণ আছে চিনাক্ত কৰিব পাৰিবনে?





***সত্য খ্ৰীষ্টানসকলে পৰস্পৰে ইজনে-সিজনক প্ৰেম কৰে, বাইবেলৰ প্ৰতি শ্ৰদ্ধা আৰু ঈশ্বৰৰ ৰাজ্য বিষয়ে প্ৰচাৰ কৰে***